www.prepp.in

Prepp
Your Personal Exams Guide

**Lang. Code : 03**

इस पुस्तिका में **20** पृष्ठ हैं ।
This booklet contains **20** pages.

# TAJ 19-II

**प्रश्न-पत्र II / PAPER II**
**असमी भाषा परिशिष्ट**
**Assamese Language Supplement**
**भाग IV & V / PART IV & V**

**परीक्षा पुस्तिका संकेत**
**Test Booklet Code**

**W**

**परीक्षा पुस्तिका संख्या**
**Test Booklet No.**

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20)पर दिए निर्देशों को ध्यान से पढ़ें ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें । / For instructions in Assamese see Page 2 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो या तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **W** । यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमी) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमी) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए ।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग-IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **W**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part -V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ______________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) ______________________
Roll Number : in figures
: (शब्दों में) ______________________
: in words
परीक्षा केन्द्र (बड़े अक्षरों में) : ______________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ______________ निरीक्षक के हस्ताक्षर : ______________
Candidate's Signature : Invigilator's Signature :
Facsimile signature stamp of
Centre Superintendent ______________________

W

www.prepp.in



**Lang. Code : 03**

**এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে**

# TAJ 19-II

## কাকত II

## অসমীয়া ভাষা

## খণ্ড IV & V

**পৰীক্ষা বহীখনৰ কোড**

**W**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা*** :

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I পৰা II **বা** III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/কলা বল পেন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ কোড হ'ল **W**. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে ১ নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I — (অসমীয়া) *(প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)*

   খণ্ড V : ভাষা II — (অসমীয়া) *(প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)*
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উত্তৰবোৰ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোলনম্বৰ : সংখ্যাৰে : ____________________

: আখৰেৰে : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________ নিৰীক্ষকৰ চহী : ____________

Facsimile signature stamp of

Centre Superintendent ____________________

www.prepp.in



পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

www.prepp.in



## Part – IV / ভাগ – IV
## Language – I / ভাষা – I
## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - I (Language-I)** – হিচাপে লৈছে, তেনেহ'লে **Part-IV**-ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ :**

**তলত দিয়া ৰছনাখণ্ড মনোযোগেৰে পঢ়া আৰু তাৰে পৰা দিয়া হোৱা প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 91 ৰ পৰা 99 লৈ) চাৰিটাকৈ বিকল্প উত্তৰৰ পৰা আটাইতকৈ উপযুক্তটো বাচি উলিওৱাঁ।**

পঞ্চদশ শতিকাৰ দৰে অষ্টাদশ শতিকাতো ইউৰোপত অনেক চিন্তাশীল নায়কৰ পয়োভৰ দেখা গৈছিল। সৃষ্টি হৈছিল 'জ্ঞানদীপ্ত' যুগৰ, জ্ঞানৰ বিস্ফোৰণ আৰু যুক্তিবাদৰ যুগৰ। ৰাজনীতিবিজ্ঞানত সেই সময়ত চিন্তাৰ জোৱাৰ আনিছিল হ'বছ, ল'ক, কাণ্ট, বেনথাম আদি বহুতে। ফ্ৰান্সতো মন্টেস্কু, ভল্টেয়াৰ, ডিডাৰ', এলেমবাৰ্ট, হলবাৰ্ক আদি দাৰ্শনিকসকলে নতুন চিন্তাৰ খলকনি তুলিছিল। কিন্তু তেওঁলোকৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় দাৰ্শনিকজনেই আছিল ৰুছো। ভল্টেয়াৰৰ লগতে তেওঁ আছিল অষ্টাদশ শতিকাৰ শ্ৰেষ্ঠ মনীষী। জনপ্ৰিয়তাত তেওঁ আছিল ভল্টেয়াৰতকৈ একাঠী চৰা। জনসাধাৰণৰ ওপৰত তেওঁৰ প্ৰভাৱ আছিল অসীম।

ৰুছোৰ শত্ৰু সংখ্যাও কম নাছিল। কটু সমালোচকো আছিল ঢেৰ। যুক্তিনিষ্ঠ আৰু প্ৰগতিবাদী লেখাৰ বাবে তেওঁ আছিল সামন্তবাদী অভিজাত শ্ৰেণীৰ চকুৰ কুটা। তেওঁৰ জনপ্ৰিয়তাত ঈৰ্ষান্বিত হৈ এশ্ৰেণী পণ্ডিতে সমালোচনা কৰি কৈছিল - তেওঁৰ লেখাত মৌলিকতা একো নাই। তেওঁৰ জনপ্ৰিয়তাৰ শ্ৰেষ্ঠ গ্ৰন্থ 'সামাজিক চুক্তি'ৰ উল্লেখ কৰি তেওঁলোকে সেয়া হ'বছ আৰু ল'কৰ প্ৰতিফলন মাথোঁ বুলি তেওঁক হেয় কৰিব খুজিছিল। তেওঁলোকে ৰুছোৰ স্ববিৰোধিতাৰ দোষো খুঁচৰি দেখুৱাইছিল। ভল্টেয়াৰেও তেওঁক অৱজ্ঞা কৰিছিল আৰু কিছুমান মতবাদৰ বিৰোধিতা কৰিছিল। তাৰ কাৰণো আছিল। ভল্টেয়াৰ আছিল 'কল্যাণকামী ৰাজতন্ত্ৰ'ৰ সমৰ্থক। ৰুছো আছিল গণতন্ত্ৰৰ উগ্ৰ প্ৰবক্তা। 'সমতানীতি'ৰ একনিষ্ঠ সমৰ্থক হোৱা সত্বেও উগ্ৰ সাম্যবাদীয়ে তেওঁক 'বুৰ্জোৱা' আখ্যা দিছিল। তেওঁলোকৰ ভাষ্য - ৰুছোৱে শ্ৰমজীৱীৰ শত্ৰু 'পেটিবুৰ্জোৱা' আৰু পুঁজিবাদীৰ হকেহে ওকালতি কৰিছিল। তেওঁৰ সমতাত শ্ৰেণীহীন সমাজৰ প্ৰকাশ নাই। তেওঁ অকল বংশগত সুবিধাবাদী আভিজাত্যৰ পতন আনি মধ্যবিত্তৰ উত্থানহে বিচাৰিছিল।'

সমালোচনাৰ উৰ্ধ্বত নহ'লেও ৰুছো আছিল গণতন্ত্ৰ আৰু প্ৰগতিশীল চিন্তাৰ মূৰ্ত প্ৰতীক। তেওঁৰ লেখাবোৰে বিপ্লৱৰ বাবে ফৰাছী জনতাক উদ্বুদ্ধ কৰিছিল। তেওঁ বিপ্লৱৰ বাবে মানসিক প্ৰস্তুতি আনিছিল আৰু পয়লগা সমাজ ব্যৱস্থাত পৰিৱৰ্তনৰ জোৱাৰ আনিছিল। সামন্ত যুগৰ পতন আনিছিল। ৰুছো আছিল আদিম সাম্যবাদৰ নিষ্ঠাবান পূজাৰী। তেওঁৰ মতে সভ্যতা উন্মেষৰ আদিম যুগত মানুহে প্ৰকৃতিৰ কোলাত সহজ আৰু সুন্দৰ জীৱন অতিবাহিত কৰিছিল। সভ্যতাৰ অগ্ৰগতিৰ লগে লগেহে সমাজ আৰু ৰাষ্ট্ৰত শ্ৰেণী বৈষম্যৰ সৃষ্টি হ'ল। তেতিয়াই মানুহৰ দুখ-দুৰ্দশাৰ আৰম্ভ হ'ল। 'সামাজিক চুক্তি' গ্ৰন্থৰ আৰম্ভণিতে ৰুছোৱে উল্লেখ কৰিছে - 'জন্মতে মানুহ স্বাধীন, অথচ মানুহ সৰ্বত্ৰ শৃংখলিত।' – "Man is born free but there is a chain everywhere."

www.prepp.in



ৰুছো কেইবাখনো কালজয়ী গ্ৰন্থৰ ৰচক। তেওঁৰ সাহিত্যত 'ৰোমাণ্টিছিজিম' ভাবৰ সুন্দৰ প্ৰকাশ হৈছিল। সমসাময়িক সাহিত্যিকসকলৰ দৰে তেৰোঁ প্ৰকৃতিৰ জয়গান গাইছিল। সুন্দৰৰ বন্দনা কৰিছিল। তেওঁৰ আত্মজীৱনী 'কনফেছন'ত ৰোমাণ্টিক ভাবধাৰাৰ সুন্দৰ প্ৰকাশ অতি আকৰ্ষণীয়। বহুতে তেওঁৰ এই গ্ৰন্থখনক তেওঁৰ প্ৰায় সমসাময়িক জাৰ্মান মনীষী গেটেৰ চিৰযুগমীয়া সৃষ্টি 'ফাউষ্ট'ৰ সমপৰ্যায় বুলি কয়। কিন্তু কথাষাৰ কিছু অত্যুক্তি যেন লাগে। দুয়োখন গ্ৰন্থৰ লক্ষ্য আৰু আদৰ্শ একে নহয়। 'ৰোমাণ্টিছিজিম' ভাবধাৰা কিন্তু দুয়োখন কিতাপৰ একে। সাহিত্যিকসকল যে ভৱিষ্যৎদ্ৰষ্টা ৰুছোৱে তাৰ প্ৰমাণ দেখুৱাইছে। ৰোমাণ্টিছিজিম থাকিলেও তেওঁ অকল 'কলাৰ বাবে কলা'ৰ সৃষ্টি কৰা নাছিল। তেওঁৰ সাহিত্য আছিল উদ্দেশ্যধৰ্মী। প্ৰেৰণা জগোৱাই আছিল তেওঁৰ সাহিত্যৰ মূল লক্ষ্য। তেওঁৰ লেখাত সামন্ত যুগৰ অন্যায়, অনাচাৰৰ স্পষ্ট প্ৰতিচ্ছবি দেখা পোৱা যায়। ৰুছোৰ দুখন বিখ্যাত গ্ৰন্থ 'কলা আৰু বিজ্ঞানৰ পুথি' (Discourse of Arts and Science) আৰু 'মানুহৰ মাজত অসমতাৰ মূল'ত (Origin of inequality among men) গভীৰ পাণ্ডিত্য আৰু সূক্ষ্ম বিচাৰবোধৰ প্ৰকাশ ঘটিছে। কিতাপ দুখনে তেওঁৰ জগতজোৰা খ্যাতিৰ লগতে সমালোচনাৰো সৃষ্টি কৰিছিল। দুয়োখনেই আছিল বহুচৰ্চিত গ্ৰন্থ।

ৰুছোৰ সবাতোকৈ আলোড়নকাৰী গ্ৰন্থ হৈছে 'সামাজিক চুক্তি' (Social Contract)। গ্ৰন্থখনৰ মাজেদি তেওঁ ৰাজতন্ত্ৰৰ স্বেচ্ছাচাৰিতাক তীব্ৰ আক্ৰমণেৰে থকাসৰকা কৰিছে। ৰজাৰ ঐশ্বৰিক তত্ত্বক (Divine Right of King) নিষ্প্ৰভ কৰিছে। তেওঁৰ অগ্ৰজ ফৰাছী দাৰ্শনিক বুছেৰ (Bussuet) ভ্ৰান্তনীতিক অকাট্য যুক্তিৰে নস্যাৎ কৰিছে। ৰুছোৰ মতে ৰজা আৰু জনতাৰ মাজৰ চুক্তিৰ ফলতহে ৰাষ্ট্ৰৰ জন্ম। ৰজা প্ৰজাৰ মনোনীত শাসকহে মাত্ৰ ঐশ্বৰৰ প্ৰতিনিধি নহয়। ইংৰাজ দাৰ্শনিক হ'বছ আৰু ল'কেও প্ৰায় একে কথা ক'লেও ৰুছো আৰু তেওঁলোকৰ আদৰ্শগত পাৰ্থক্য আছিল। ৰুছোৱে কৈছিল - ৰজাই ভালদৰে শাসন নকৰিলে প্ৰজাই তেওঁক ক্ষমতাচ্যুত কৰিব লাগে। ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা জনসাধাৰণৰ ওপৰতহে ন্যাস্ত, ৰজাৰ হাতত নহয়। মানুহৰ 'সাধাৰণ ইচ্ছা'ৰ (General Will) ওপৰতহে সুষম আইন আৰু সুশাসন প্ৰতিষ্ঠিত হয়। এইবোৰ অকাট্য যুক্তিৰে ৰুছোৱে গণতন্ত্ৰৰ জয়গান গাইছিল। হ'বছ-ল'কে সাংবিধানিক ৰাজতন্ত্ৰৰ কথাহে কৈছিল। ৰুছোৱে বিছাৰিছিল জনতাৰ শাসন।

91. তলত দিয়া দাৰ্শনিক-চিন্তাবিদ কেইজনৰ মাজত কোনজন ইংৰাজ আছিল ?
(1) ল'ক
(2) ৰুছো
(3) গেটে
(4) ভল্টেয়াৰ

92. ৰুছোৰ মতে সমাজ আৰু ৰাষ্ট্ৰত শ্ৰেণী বৈষম্যৰ সৃষ্টি কেনেকৈ বা কেতিয়া হৈছিল ?
(1) সভ্যতাৰ অগ্ৰগতিৰ লগে লগে
(2) মানৱ সমাজৰ নৈতিক মূল্যবোধ নোহোৱা হোৱাৰে পৰা
(3) সামন্ত যুগৰ পতন হোৱাৰ পাছত
(4) ৰাজশাসন ব্যৱস্থা ভাঙি যোৱাৰ লগে লগে

93. 'জ্ঞানৰ বিস্ফোৰণ' আৰু 'যুক্তিবাদ'-ৰ যুগ বুলি অভিহিত কৰা 'জ্ঞানদীপ্ত যুগ'-ৰ সৃষ্টি ইউৰোপত কেতিয়া হৈছিল ?
(1) নৱম শতিকাত
(2) দশমত শতিকাত
(3) অষ্টাদশ শতিকাত
(4) একবিংশ শতিকাত

www.prepp.in

Prepp
Your Personal Exams Guide



**94.** ৰুছোৰ কোনখন গ্ৰন্থখত ৰোমাণ্টিক ভাবধাৰাৰ সুন্দৰ প্ৰকাশ দেখা যায় ?

(1) কলা আৰু বিজ্ঞানৰ পুথি

(2) মানুহৰ মাজত অসমতাৰ মূল

(3) স্বীকাৰোক্তি বা কনফেছন

(4) সামাজিক চুক্তি

**95.** 'চকুৰ কুটা' জঁতুৰা ঠাচটোৰ অৰ্থ হৈছে -

(1) চকুত পৰা কুটা

(2) চকুচৰহা

(3) দাঁতৰ শূল

(4) অতি অপ্ৰিয় আৰু অতীষ্ঠকৰ

**96.** "মানুহৰ 'সাধাৰণ ইচ্ছা'ৰ (General will) ওপৰতহে সুষম আইন আৰু সুশাসন প্ৰতিষ্ঠিত হয় ।" – এই বাক্যটোৰ কেইটা শব্দত উপসৰ্গৰ প্ৰয়োগ আছে ?

(1) এটা

(2) দুটা

(3) তিনিটা

(4) চাৰিটা

**97.** হ'বছ আৰু লক আছিল -

(1) সাংবিধানিক ৰাজতন্ত্ৰৰ সমৰ্থন

(2) উগ্ৰ গণতন্ত্ৰৰ সমৰ্থক

(3) সামন্তবাদৰ সমৰ্থক

(4) শ্ৰেণীহীন সমাজৰ সমৰ্থক

**98.** "ৰজা প্ৰজাৰ মনোনীত শাসকহে মাত্ৰ, ঈশ্বৰৰ প্ৰতিনিধি নহয় ।" – এই মত কাৰ আছিল ?

(1) বুছে (Bussuet)-ৰ

(2) বড়া ষোড়শ লুইৰ

(3) ভল্টেয়াৰৰ

(4) ৰুছোৰ

**99.** তলত উল্লেখ কৰা গ্ৰন্থকেইখনৰ ভিতৰত কোনখন ৰুছোৰ আত্মজীৱনী ?

(1) Discourse of Acts and Science

(2) Confession

(3) Origin of Inequality among Men

(4) Social Contract

**নিৰ্দেশ :** উদ্ধৃত কবিতাফাঁকিৰ তলত দিয়া প্ৰশ্নবোৰৰ (প্ৰশ্ন নং 100-ৰ পৰা 105 লৈ) প্ৰতিটোৰে চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে। আটাইতকৈ উপযুক্ত বিকল্পটো নিৰ্বাচন কৰাঁ ।

মনৰ খবৰ আছে ডাৱৰত তোমাৰ চকুৰ
মনৰ খৱৰ আছে উশাহত তোমাৰ বুকুৰ
মনৰ খবৰ আছে জোন-শেঁতা চেঁচা কপালত,
তোমাৰ কোমল কপালৰ
আধা গঢ়া এটি ভ্ৰূকুটিত মৃত্যুৰো খবৰ আছে লেখা -
মোৰ জীৱনৰ মৃত্যু, যাৰ
সপোন অসম হ'ব পাৰে ।

চকুৰ নীলিমা, জানো, আকাশৰ নীলাত লুকাব
তপত নিশাহ, জানো, বতাহৰ বুকুত মিলিব,
কপালৰ অৰ্দ্ধচন্দ্ৰ কালৰ কীটাণুবোৰে
জানো, খুলি খাবহি এদিন,
সেইবাবে আৰু বেছি পাবলৈ বিচাৰো তোমাক
সেইবাবে আৰু বেছি দিবলৈ বিচাৰো তোমাক ।
মধুলোভী মধুকৰ মইতো নহওঁ
কৃপণৰ গৃধ্নুতাৰ তোমাৰ ৰূপেৰেই মই মধুভাণ্ড নকৰো স্ৰজন
মই মাথোঁ ভাল পাই শেষ হৈ যাম,
তোমাৰ ৰূপৰ দৰে শেষ হ'ব
মোৰ শক্তি মোৰ শৌৰ্য, তাৰে
জীৱনক অমৰ কৰাৰ সাধ্য নাই
মাথোন আমাৰ প্ৰেম জীৱনক পূৰ্ণ কৰি
হ'ব ইতিহাস ।

Prepp
Your Personal Exams Guide



**100.** উদ্ধৃত কবিতাংশৰ আৰম্ভণিতে কবিতাৰ নায়কে ক'ত "মৃত্যুৰ খবৰ" লিখা থকাৰ কথা উল্লেখ কৰিছে ?

(1) নায়িকাৰ চকুৰ ডাৱৰত

(2) নায়িকাৰ কপালৰ ভ্ৰূকুটিত

(3) নায়িকাৰ চেঁচা কপালত

(4) নায়িকাৰ বুকুৰ উশাহত

**101.** 'চকুৰ নীলিমা' ক'ত হেৰাই যোৱাৰ কথা কবিতাটোত কোৱা হৈছে ?

(1) বতাহৰ বুকুত

(2) চকুৰ ডাৱৰত

(3) আকাশৰ নীলাত

(4) জোন-শেঁতা চেঁচা কপালত

**102.** 'ভ্ৰূকুটি' শব্দটোৰ অৰ্থ হৈছে –

(1) চেলাউৰি

(2) কোঁচ খোৱা কপাল

(3) চেলাউৰিৰ কুঞ্চন

(4) ব্যংগ আৰু তাচ্ছিল্য

**103.** কবিতাটোত নায়িকাৰ ৰূপৰ দৰেই নায়কৰ কি এদিন শেষ হৈ যাব বুলি কৈছে ?

(1) শক্তি আৰু শৌৰ্য

(2) সৌন্দৰ্য

(3) প্ৰেম

(4) জীৱন

**104.** নায়কৰ 'শক্তি আৰু শৌৰ্য'ৰ দ্বাৰা কি কৰাৰ সাধ্য নাই ?

(1) নায়িকাৰ হৃদয় জয় কৰাৰ

(2) নায়িকাৰ মন অধিকাৰ কৰাৰ

(3) জীৱনক অমৰ কৰাৰ

(4) জীৱনক পূৰ্ণ কৰাৰ

**105.** "মধুলোভী মধুকৰ মইতো নহওঁ"

– কবিতাটোৰ এই শাৰীটোত কোনবিধ অলংকাৰৰ প্ৰয়োগ কৰা হৈছে ?

(1) অনুপ্ৰাস

(2) উপমা

(3) প্ৰতীক

(4) ছন্দ

**106.** কবিতা পঢ়ুৱাওতে তলত দিয়া কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ ?

(1) প্ৰতিটো কবিতাৰে এটোই নিশ্চিত অৰ্থ থাকে

(2) কবিতাৰ এটাতকৈ অধিক অৰ্থ থাকিব পাৰে

(3) কবিতাই সামাজিক সমস্যা প্ৰতিফলিত নকৰে

(4) কবিতাই কোনো আৱেগিক দিশ প্ৰতিফলিত নকৰে

www.prepp.in

Prepp
Your Personal Exams Guide



107. এগৰাকী শিক্ষকে প্ৰতিবেদন লিখিবলৈ শিকাঁওতে ছাত্ৰ-ছাত্ৰীৰ মাজত বাতৰি কাকতৰ কাটি ৰখা টুকুৰা কিছুমান বিলাই দিছে । শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক প্ৰতিবেদন পঢ়িবলৈ দিছে আৰু সেই বিষয়ে সিহঁতৰ বক্তব্য বা বিশ্লেষণ লিখিবলৈ দিছে । এই পৰিস্থিতিত শিক্ষকজনে ব্যৱহাৰ কৰা বাতৰি কাকতৰ কাটি ৰখা টুকুৰাবোৰ হৈছে -

(1) এবিধ শিক্ষণ সঁজুলি

(2) এবিধ শিকন সঁজুলি

(3) TLM (Teaching Learning Material)

(4) শিক্ষণ পদ্ধতি

108. ভাৰতত কিমানটা ভাষা পৰিয়াল আছে ?

(1) চাৰিটা

(2) ছটা

(3) আঠটা

(4) দহটা

109. ভাষা শিক্ষাৰ কোনটো পদ্ধতিয়ে ভাষাৰ শ্ৰেণীকোঠাত মাতৃভাষাৰ প্ৰয়োগ বাৰণ কৰে ?

(1) প্ৰত্যক্ষ পদ্ধতি

(2) শ্ৰব্যভাষিক পদ্ধতি

(3) Immersion পদ্ধতি

(4) প্ৰাকৃতিক পদ্ধতি

110. ভাষাৰ শিক্ষক এজনে শিক্ষাদান কৰোঁতে বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ পৰা উদাহৰণ দিছে । এই পদ্ধতিটো হৈছে -

(1) বিজ্ঞান আৰু ভাষা শিক্ষা

(2) পাঠ্যক্ৰম অতিক্ৰমি শিক্ষা

(3) TPR পদ্ধতি

(4) CLT পদ্ধতি

111. ভাষা শিকাৰ বোধাৰ্জন প্ৰৰিপ্ৰেক্ষাই (Cognitive Perspective) তলৰ কোনটোত গুৰুত্ব দিয়ে ?

(1) ভাষা শিকাৰ প্ৰক্ৰিয়াটোত ভুল হোৱাটো প্ৰক্ৰিয়াটোৰেই অংশ

(2) ভাষা শিকাত অভ্যাস গঠন প্ৰক্ৰিয়াই সহায় কৰে

(3) বাক্য মুখস্থ কৰাত শিক্ষকে গুৰুত্ব দিয়া উচিত

(4) যিমান পৰি সোনকালে শিশু এটাৰ ভুলবোৰ শুধৰাই দিয়া উচিত । অন্যথা সেইবোৰ শিশুৰ মনত ৰৈ যায় ।

112. তলত উল্লেখ কৰা কোনটো পৰীক্ষাৰ দ্বাৰা শিক্ষকে শিকাৰৰ দুৰ্বল প্ৰদৰ্শন ধৰা পেলাব পাৰে ?

(1) দক্ষতা পৰীক্ষা

(2) হেতু নিৰ্ণয় পৰীক্ষা

(3) সাফল্য পৰীক্ষা

(4) সাৰাংশ পৰীক্ষা

113. ষষ্ঠ মানৰ ভাষাৰ শিক্ষক এগৰাকীয়ে ভাষাৰ পৰীক্ষা লোৱাৰ পাছত লক্ষ্য কৰিলে যে ছাত্ৰ-ছাত্ৰীয়ে ভাল ফল দেখুৱাব পৰা নাই । সেয়েহে শিক্ষক গৰাকীয়ে আন এটা পৰীক্ষা পাতিছে । এই ক্ষেত্ৰত পৰীক্ষাটোত কোৱা হ'ব –

(1) গঠনমূলক পৰীক্ষা

(2) সাৰাংশ পৰীক্ষা

(3) হেতু নিৰ্ণয় পৰীক্ষা

(4) ক্ৰমবৰ্ধনশীল পৰীক্ষা

www.prepp.in



114. ভাষাৰ শিক্ষক এগৰাকীয়ে শ্ৰেণীকোঠাত পঢ়ুউৱাৰ পাছত তেঁওৰ টোকাবহীত লিখিছে - "ছাত্ৰ-ছাত্ৰীবোৰে ভাষাৰ খেল উপভোগ কৰিছে আৰু খেলত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিছে । কিন্তু গোট নং ৩ য়ে উপযুক্ত ফলাফল দেখুৱাব পৰা নাই।" শিক্ষকগৰাকীৰ এই টোকাটো হৈছে -

(1) মূল্যায়ন

(2) ক্ষুদ্ৰ কাহিনী লিখন

(3) প্ৰতিফলিত চিন্তা

(4) লক্ষ্যকৰণ

115. এগৰাকী সাৰ্থক ভাষাৰ শিক্ষকে,

(1) পাঠ্যপুথিত থকা সকলোৰোৰ প্ৰশ্নৰ উত্তৰ শিকায়

(2) পাঠ্যপুথি ব্যৱহাৰ কৰে আৰু পাঠ্য পুথিৰ উপৰিও বা পাঠ্যপুথি অতিক্ৰমিও শিক্ষাদান কৰে

(3) সম্পূৰ্ণ পাঠ্যক্ৰমৰ ভিত্তিত প্ৰশ্নকাকত প্ৰস্তুত কৰে

(4) নিৰ্দেশিত পাঠ্যপুথি তথা পাঠ্যক্ৰমৰ বাহিৰত একো নপঢ়ুৱায়

116. ভাষা শিকাত তলৰ কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ ?

(1) পাঠ্যপুথি

(2) পৰিপূৰিকা পুথি

(3) শিশু সাহিত্য

(4) কাৰ্য কৰিবলৈ দিয়া কাগজ

117. তলত দিয়া কোনটো কৰিলে শিকাৰুৰ মাজত সৃজনশীলতা বৃদ্ধি খৰতকীয়া কৰিব ?

(1) শিকাৰুক পৰীক্ষাত ভাল নম্বৰ পাবলৈ প্ৰশিক্ষণ দিলে

(2) শিকাৰুৰ নিজৰ নিজৰ পাৰদৰ্শিতা অনুসৰি মুক্তভাবে লিখাৰ সুযোগ দিলে

(3) ছাত্ৰ-ছাত্ৰীক নীতিকথামূলক সাধু বা কাহিনী পঢ়িবলৈ আৰু লিখিবলৈ দিলে

(4) ছাত্ৰ-ছাত্ৰীক শিকন কাৰ্যত আকৰ্ষণ সৃষ্টি কৰিবলৈ ক'লে

118. ভাষাত 'Mind mapping' বুলিলে কি বুজায় ?

(1) মনৰ চিত্ৰ অংকন কৰা

(2) পদ্যটো বা সাধুটোত বৰ্ণনা কৰা অঞ্চলটোৰ মানচিত্ৰ অংকন কৰা

(3) দু:সাহসিক কাৰ্যৰ এক প্ৰস্তুতি কৰি ছাত্ৰ-ছাত্ৰীক সেইবিষয়ে লিখিবলৈ দিয়া

(4) ছাত্ৰ-ছাত্ৰী নতুন নতুন ধাৰণা সৃষ্টি কৰিবলৈ, বুজি পাবলৈ আৰু সেইবোৰ সংযোগ কৰিবলৈ দিয়া

119. লিখন দক্ষতা বৃদ্ধিৰ কাৰণে তলৰ কোনটো আটাইতকৈ গুৰুত্বপূৰ্ণ ?

(1) ভাল হাতৰ আখৰ

(2) শুদ্ধ বানান

(3) নিৰ্দেশ অনুসৰণ কৰি আৰু সঁজুলি ব্যৱহাৰ কৰি লিখা

(4) নিজৰ অভিজ্ঞতা, ধাৰণা আৰু আদৰ্শ আদি প্ৰকাশ কৰি লিখা

120. সামগ্ৰিকভাবে পঠন দক্ষতা বৃদ্ধিৰ কাৰণে আৰু লগতে মনোৰঞ্জনৰ কাৰণে পাঠ পঢ়া কাৰ্যটো হৈছে -

(1) সঘন তথা পুংখানুপুংখ পঠন

(2) বিস্তৃত পঠন

(3) পূৰ্ব পঠন

(4) উত্তৰ পঠন

www.prepp.in



পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো ভাষা **- II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

www.prepp.in

Prepp
Your Personal Exams Guide



**Part – V / ভাগ – V**

**Language – II / ভাষা – II**

**Assamese / অসমীয়া**

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা - II (Language-II)** – হিচাপে লৈছে, তেনেহ'লে **Part-V**-ৰ (**প্ৰশ্ন নং 121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

**নিৰ্দেশ : তলত দিয়া দফাটো মনোযোগেৰে পঢ়ি প্ৰশ্ন নং 121-ৰ পৰা 128 লৈ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাচি উলিওৱাঁ।**

প্ৰবাদ আছে যে অতীজত প্ৰাগজ্যোতিষপুৰ / কামৰূপ নৰকাসুৰ ৰজাৰ অধীনত আছিল । হয়তো প্ৰাগজ্যোতিষপুৰৰ পৰিসীমা সেই সময়ত বৰ্তমানৰ নৰকাসুৰ, কালাপাহাৰ আৰু দিশপুৰলৈকে বিস্তৃত আছিল । আনহাতে ই মহাভাৰতৰ মহাযুদ্ধত পাণ্ডৱৰ বিপক্ষে যুদ্ধ কৰা ভগদত্ত ৰজাৰ ৰাজধানী আছিল বুলিও অনেকে মত পোষণ কৰে । ইয়াৰ পাছত ষষ্ঠ-সপ্তম শতিকাত বৰ্মন বংশৰ ৰজা ভাস্কৰ বৰ্মনৰ শাসন কাল (৫৯৪-৬৫০ খ্ৰিষ্টাব্দত) প্ৰাচীন কামৰূপৰ এটা সোণালী অধ্যায় আছিল আৰু ইয়াৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰ আছিল উন্নতিৰ কেন্দ্ৰস্থল । তথ্যানুসাৰে চীনা পৰিব্ৰাজক হিউৱেন ছাঙক কামৰূপ নৃপতি ভাস্কৰ বৰ্মনেই সেই সময়ৰ বিখ্যাত নালন্দা বিশ্ববিদ্যালয়ৰ অধ্যক্ষ শীলভদ্ৰলৈ চিঠি লিখি কামৰূপলৈ অনাইছিল (৬৪৩ খ্ৰিষ্টাব্দত)। হিউৱেন ছাঙে 'ছি-ইউ-কি' নামৰ গ্ৰন্থত কামৰূপ ৰাজ্য আৰু ৰজা ভাস্কৰ বৰ্মনৰ বিষয়ে অতি প্ৰশংসাসূচক টোকা লিখি থৈ গৈছে। ভাস্কৰ বৰ্মন আছিল উত্তৰ ভাৰতৰ বিখ্যাত সম্ৰাট হৰ্ষবৰ্ধন সমসাময়িক ৰজা। হিউৱেন ছাঙৰ মতে কামৰূপ ৰাজ্যৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ ওচৰে-পাঁজৰে কোনো ডাঙৰ নগৰ নাছিল । আনকি সেই সময়তে ব্ৰহ্মপুত্ৰৰপৰা পানী পাম্প কৰি নগৰখনলৈ অনা হৈছিল বুলিও তেওঁ লিখি থৈ গৈছিল । ইয়াৰ পাছত অষ্টম পতিকাৰপৰা ১৬ শতিকাৰ মাজভাগলৈকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ নগৰখনতকৈ উত্তৰ পাৰৰ নগৰ, অৰ্থাৎ বৰ্তমানৰ উত্তৰ গুৱাহাটীৰ প্ৰাধান্য বেছি হৈছিল; বৰ্তমানৰ ৰাজমহল, ৰজাদুৱাৰ, শিলসাঁকোৰ চিহ্ন আৰু মন্দিৰবোৰে ইয়াৰ সাক্ষ্য বহন কৰে । বৰ্মন বংশৰ ৰাজত্বৰ পাছত পাল বংশৰ ৰাজত্ব কালতো বৰ্তমানৰ গুৱাহাটী আৰু উত্তৰ গুৱাহাটী এখন প্ৰধান নগৰ আছিল। পাল বংশৰ ৰাজত্ব কালতে ইয়াৰ আশে-পাশে কেইবাটাও পুখুৰী খনা হৈছিল। পাল বংশৰ পাছত কোচ ৰাজৰ ৰাজত্ব কালত বৰ্তমানৰ পশ্চিম অসমত কমতাপুৰ নামে ৰাজ্য বিখ্যাত হৈ পৰিছিল । কোচ ৰজাৰ ৰাজত্ব কালতো প্ৰাগজ্যোতিষপুৰ কিছুদিনৰ বাবে তেওঁলোকৰ ৰাজধানী আছিল । ১৬ শতিকাৰ আগভাগত প্ৰাচীন কামাখ্যা মন্দিৰ একেবাৰে জহি-খহি গৈছিল আৰু পশ্চিম অসমৰ প্ৰতিষ্ঠাতা বিশ্বসিংহৰ দিনতে, খুব সম্ভৱ ১৫৪৯-১৫৫০ খ্ৰিষ্টাব্দত নতুনকৈ নিৰ্মাণ কৰা হৈছিল । ইয়াৰ পাছত অৱশ্যে বৰ্তমানৰ পশ্চিমবংগৰ গৌড় ৰজাৰ সেনাপতি কালাপাহাৰে কামৰূপৰ অন্যান্য মন্দৰ ধ্বংস কৰাৰ লগতে কামাখ্যা মন্দিৰো ধ্বংস কৰিছিল । সেই সময়ত কালাপাহাৰৰ প্ৰতিপত্তিৰ কথা বৰ্তমানৰ গুৱাহাটীৰ কালাপাহাৰৰ নামটোৱে সাক্ষ্য বহন কৰে । ইয়াৰ পাছত বিশ্বসিংহৰ উত্তৰাধিকাৰী মহাৰাজ নৰনাৰায়ণ আৰু বীৰ চিলাৰায়ে কামাখ্যা মন্দিৰ আকৌ নিৰ্মাণ কৰিছিল । তেওঁলোকৰ ৰাজত্ব কালত প্ৰাগজ্যোতিষপুৰ অৱশ্যে অলপ দিনৰ কাৰণেহে ৰাজধানী আছিল। এই সময়ত ই বিশেষকৈ এখন প্ৰধান ঠাই হিচাপেহে খ্যাতি অৰ্জন কৰিছিল । কোচ বংশৰ ৰাজত্ব কালত প্ৰাগজ্যোতিষপুৰ সময়ে সময়ে পূবে আহোম ৰজা আৰু পশ্চিমে মোগলৰ আক্ৰমণৰ বলি হৈছিল । এই সময়তে প্ৰাগজ্যোতিষপুৰৰ নাম

www.prepp.in



গুৱাহাটীলৈ পৰিবৰ্তিত হোৱা বুলি জনা যায়। লাহে লাহে অৱশ্যে মোগলৰ আধিপত্য বাঢ়ি আহিছিল আৰু তেওঁলোকে প্ৰথমতে হাজো আৰু তাৰ পাছত ১৬৩৯ খ্ৰিষ্টাব্দত গুৱাহাটীত তেওঁলোকৰ শাসনকেন্দ্ৰ স্থাপন কৰিছিল। ইয়াৰ পাছত পূব অসমত আধিপত্য বিস্তাৰ কৰা আহোম ৰাজ্য আৰু মোগলৰ মাজত গুৱাহাটী অধিকাৰৰ অৰ্থে দীঘলীয়া যুদ্ধ চলিছিল। গুৱাহাটীৰ প্ৰাকৃতিক আৰু সামৰিকভাৱে অনুকূল অৱস্থানৰ হেতু দুয়োপক্ষৰ বাবে গুৱাহাটীৰ প্ৰাধান্য অধিক হৈ পৰিছিল। অৱশেষত ১৬৮১ চনত ইটাখুলিত হোৱা যুদ্ধত মোগল সেনা পৰাস্ত হোৱাৰ পাছত গুৱাহাটী আহোম সেনাপতিৰ অধীনলৈ আহিছিল আৰু তেতিয়াৰপৰাই গুৱাহাটী আহোম ৰাজ্যৰ পশ্চিম অসমৰ ৰাজধানীস্বৰূপ হৈ পৰিছিল। বিশেষকৈ ১৬৬৯ চনত আহোম সেনাপতি লাচিত বৰফুকনে বিখ্যাত শৰাইঘাটৰ যুদ্ধত মোগলক পৰাস্ত কৰি পশ্চিমলৈ খেদি পঠোৱাৰ পাছত গুৱাহাটীকে ধৰি পশ্চিম অসমত আহোম ৰজাৰ আধিপত্য বৃদ্ধি পাইছিল। শৰাইঘাটত হোৱা স্থল আৰু নৌ যুদ্ধত জিকাৰ পাছত গোটেই গুৱাহাটী নগৰখন বেঢ়ি ১৬ মাইল (২৫ বৰ্গকিল'মিটাৰ) জুৰি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে গড় বন্ধা হৈছিল। এই গড়বোৰ পূব দিশে নুনমাটিত, দক্ষিণে বেলতলাত আৰু পশ্চিমফালে শৰাইঘাটৰ যুদ্ধৰ আগে আগে নিৰ্মাণ কৰা মোমাইকটা গড় আজিও ভগাছিগা অৱস্থাত দেখিবলৈ পোৱা যায়। মোমাইকটা গড় বৰ্তমানৰ জালুকবাৰী অঞ্চলৰপৰা ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উত্তৰ গুৱাহাটীলৈকে বিস্তৃত আছিল। খুব সম্ভৱ এই গড়ৰ সীমাই সেই সময়ৰ গুৱাহাটীৰ পশ্চিম ফালৰ বহিঃস্থ সীমা আছিল। গুৱাহাটী অৱশ্যে ১৬৭৯ চণৰপৰা ১৬৮৩ চনলৈকে আকৌ কেইবছৰমানৰ বাবে মোগলৰ অধীনলৈ আহিছিল। অৱশ্যে ১৬৮৩ চনত গুৱাহাটী সম্পূৰ্ণভাৱে আহোম ৰাজ্যৰ অধীনলৈ আহিছিল আৰু ১৮২৬ চনত আহোম ৰজা আৰু ব্ৰিটিছৰ মাজত হোৱা ইয়াণ্ডাবু সন্ধি পৰ্যন্ত ই আহোম ৰজাৰ অধীনত আছিল।

**121.** শৰাইঘাতৰ যুদ্ধ সংঘটিত হৈছিল ______ ।

(1) ১৬৩৯ চনত

(2) ১৬৬৯ চনত

(3) ১৬৮১ চনত

(4) ১৬৮৩ চনত

**122.** কোচ বংশৰ ৰাজত্বকালত মোগলে ক'ত শাসনকেন্দ্ৰ স্থাপন কৰিছিল ?

(1) সেই সময়ত মোগলে ক'তো শাসনকেন্দ্ৰ স্থাপন কৰিব পৰা নাছিল

(2) উজনি অসমত

(3) উত্তৰ গুৱাহাটিত

(4) গুৱাহাটি আৰু হাজোত

**123.** ১৬৮৩ চনৰ পৰা ইয়াণ্ডাবু সন্ধি পৰ্যন্ত গুৱাহাটি কাৰ অধীনত আছিল ?

(1) আহোম ৰজাৰ

(2) কোচ ৰজাৰ

(3) মোগলৰ

(4) উল্লিখিত সময়চোৱাত গুৱাহাটি স্বাধীন আছিল

**124.** চীনা পৰিব্ৰাজক হিউৱেন ছাঙক কামৰূপলৈ কোনে আমন্ত্ৰণ কৰি আনিছিল ?

(1) হৰ্ষবৰ্ধনে

(2) ভাস্কৰ বৰ্মনে

(3) বিশ্বসিংহই

(4) ভগদত্তই

125. “তথ্যানুসাৰে চীনা পৰিব্ৰাজক হিউৱেন ছাঙক....” - এই ব্যাকাংশৰ আৰম্ভণিৰ শব্দটোত _______ ৰ প্ৰয়োগ হৈছে।

(1) স্বৰসন্ধি

(2) ব্যঞ্জন সন্ধি

(3) বিভক্তি

(4) সমাস

126. কামাখ্যা মন্দিৰ কেতিয়া একেকৰে জহি-খহি গৈছিল ?

(1) মোগলৰ আক্ৰমণৰ পাছত

(2) ষোড়শ শতিকাৰ আগভাগত

(3) ষোড়শ শতিকাৰ শেষভাগত

(4) ইয়াণ্ডাবু সন্ধিৰ সময়ত

127. বৰ্মণ বংশৰ ৰজা ভাস্কৰ বৰ্মণৰ ৰাজত্বকাল আছিল -

(1) ৫ম-৬ষ্ঠ শতিকা

(2) ৬ষ্ঠ-৭ম শতিকা

(3) ষোড়শ শতিকা

(4) পঞ্চদশ - ষোড়শ শতিকা

128. তলত উল্লেখ কৰা কোনজন কামাখ্যা মন্দিৰৰ পুনৰনিৰ্মাণৰ কামত জৰিত নাছিল ?

(1) ভাস্কৰ বৰ্মন

(2) বিশ্বসিংহ

(3) নৰনাৰায়ণ

(4) চিলাৰায়

নিৰ্দেশ : তলত দিয়া ৰছনাখণ্ড মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ (প্ৰশ্ন নং 129 ৰ পৰা 135 লৈ) আটাইতকৈ উত্তৰ নিৰ্বাচন কৰা।

১৯২১ চনত অসহযোগ আন্দোলনৰ জুই জ্বলি উঠিল । দেশৰ-মুক্তি আন্দোলনৰ কাৰণে বৰদলৈয়ে ওকালতি এৰি কংগ্ৰেছ অনুষ্ঠানত সোমাই পৰিল । আহমদাবাদ কংগ্ৰেছ অধিৱেশনত ডেকা বৰদলৈয়ে অসমৰ প্ৰতিনিধিত্ব কৰে। তাতেই তেওঁৰ মহাত্মাগান্ধীৰ সৈতে সাক্ষাৎ হ’ল । গান্ধীজীৰ জীৱনাদৰ্শই তেওঁক বাৰুকৈয়ে আকৰ্ষণ কৰিলে । অসহযোগ আন্দোলনৰ আহবানৰ বিষয়ে লিখোঁতে বৰদলৈয়ে লিখিছিল, ইয়াতেই মই হেৰাই যাব খোজা জীৱনৰ বাট দেখা পালোঁ।

তেতিয়াৰে পৰাই মহাত্মা গান্ধীক তেওঁ ৰাজনৈতিক আৰু আধ্যাত্মিক গুৰু হিচাপে জীৱনৰ শেষ দিনলৈকে মানি আহিছে। গান্ধীজীয়ে বৰদলৈক পুত্ৰৰ দৰে মৰম কৰিছিল আৰু বৰদলৈৰ ওপৰত সম্পূৰ্ণ আস্থা ৰাখিছিল । অসমৰ জটিল সমস্যাৰ কথা গান্ধীজীৰ কাণত পৰিলে তেওঁ কৈছিল, ‘বৰদলৈ আছে নহয় !’ আহমদাবাদৰ পৰা ঘূৰি আহোতে বৰদলৈ এবছৰৰ কাৰণে কাৰাৰুদ্ধ হয়।

১৯৩৭ চনত হোৱা দেশৰ সাধাৰণ নিৰ্বাচনযোগে বৰদলৈ অসম বিধান সভাৰ সদস্য হ’ল। তেওঁ কংগ্ৰেছ সংসদী দলৰ লাইখুটা আছিল, অসমৰ স্বাৰ্থৰ কাৰণে মন্ত্ৰী সভাৰ বিৰুদ্ধে যুঁজিবলগীয়া হৈছিল। পিছত তেওঁ অসমৰ প্ৰধান মন্ত্ৰী হৈ সংযুক্ত মন্ত্ৰী-সভাৰ গধুৰ দায়িত্ব বহন কৰিছিল।

www.prepp.in



১৯৪০-৪১ চনত গান্ধীজীৰ নেতৃত্বত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হ'ল। তেৰ মাহ শাসন কাৰ্য্য চলোৱাৰ পিছত বৰদলৈ মন্ত্ৰী-সভাই পদত্যাগ কৰে। ভাৰতৰ ওপৰত জাপি দিব খোজা অন্যায় মহাৰণৰ প্ৰতিবাদ কৰাৰ বাবে বৰদলৈ পুনৰ জেললৈ গ'ল।

১৯৪২ চনৰ গণ-বিপ্লৱ। মহাত্মা গান্ধী, পণ্ডিত জৱহৰলাল নেহৰু প্ৰমুখ্যে নেতাসকলৰ সৈতে অসমৰ নেতা বৰদলৈয়ো কাৰাৰুদ্ধ হ'ল। ১৯৪৪ চনত শাৰীৰিক অসুস্থতাৰ কাৰণে বৰদলৈক জেলৰ পৰা মুক্তি দিয়া হ'ল। অসমক জুমুৰি দি ধৰা নানান সমস্যা, বিশেষকৈ মাটি সমস্যাৰ বাবে বৰদলৈৰ প্ৰাণে কান্দি উঠিল। মহাত্মা গান্ধীৰ আশীৰ্বাদ শিৰত লৈ বৰদলৈয়ে দেশসেৱাত ব্ৰতী হ'ল। ১৯৪৬ চনত পুনৰ তেওঁ কংগ্ৰেছ চৰকাৰ গঠন কৰিলে।

১৯৪৬ চনত 'ভাৰত ত্যাগ' বিপ্লৱত কাবু হৈ বৃটিছ চৰকাৰে ভাৰতক ভুৱা স্বাধীনতা যাচি কেইজনমান বৃটিছ মন্ত্ৰীৰে গঠিত এটা মন্ত্ৰীমিছন পঠায়। মিছনৰ প্ৰস্তাৱমতে ভাৰতক ভাগ ভাগ কৰি সমষ্টি গঠন কৰাৰ প্ৰস্তুতি চলিল। অসম সমষ্টিৰ গ্ৰাসত যাওঁ যাওঁ অৱস্থা। ভাৰত কংগ্ৰেছৰ নেতৃবৃন্দই এই প্ৰস্তাৱ মানিবলৈ সন্মত হ'ল। অসম ৰক্ষাৰ অৰ্থে বৰদলৈয়ে মহাত্মা গান্ধীৰ ওচৰলৈ লৰ দিলে। মহাত্মা গান্ধীয়ে কৈ উঠিল, 'পৃথিৱীৰ বিৰুদ্ধে যুঁজি হ'লেও অসমে নিজৰ নিজত্ব ৰক্ষা কৰিব লাগিব।' মহাত্মাৰ আশ্বাস পাই বৰদলৈয়ে অসমত সমষ্টি গঠনৰ বিৰোধিতাৰ ধ্বনিৰে পৰ্বত-ভৈয়াম কঁপাই তুলিলে। ফলত ভাৰতৰ নেতৃবৃন্দই বৰদলৈৰ কথাতে সন্মতি জনালে। মিছনৰ প্ৰস্তাৱ নামঞ্জুৰ হ'ল। বৰদলৈৰ স্পষ্টতা আৰু দৃঢ়তা নোহোৱাহেঁতেন অসমৰ কৃষ্টি, সভ্যতা-সংস্কৃতি ৰক্ষিত নহ'লহেঁতেন।

**129.** গোপীনাথ বৰদলৈয়ে তেওঁৰ ওকালতি ত্যাগ কৰিবলগা হৈছিল। কাৰণ তেওঁ –

(1) চৰকাৰৰ ৰোষত পৰিছিল

(2) দেশৰ স্বাধীনতা আন্দোলনত নামি পৰিছিল

(3) ওকালতি কৰি উপযুক্ত আৰ্জন কৰিব পৰা নাছিল

(4) অসমৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হৈছিল

**130.** "পৃথিৱীৰ বিৰুদ্ধে যুঁজি হলেও অসমে নিজৰ নিজত্ব ৰক্ষা কৰিব লাগিব।" – এই কথাষাৰ কোনে কৈছিল ?

(1) জৱাহৰলাল নেহৰুৱে

(2) মহাত্মা গান্ধীয়ে

(3) গোপীনাথ বৰদলৈয়ে

(4) তেতিয়াৰ কংগ্ৰেছৰ নেতৃবৃন্দই

**131.** 'নামঞ্জুৰ' শব্দৰ অৰ্থ হৈছে -

(1) সন্মতি প্ৰদান

(2) নামজাৰি

(3) প্ৰস্তাৱ গ্ৰহণ

(4) সন্মতি নিদিয়া

**132.** গোপীনাথ বৰদলৈক ১৯৪৪ চনত কিয় কাৰাবাসৰ পৰা মুক্তি দিয়া হৈছিল ?

(1) শাৰীৰিক অসুস্থতাৰ কাৰণে

(2) ৰাইজৰ দাবী তীব্ৰতৰ হৈ উঠাৰ কাৰণে

(3) কাৰাগাৰত ৰাজনৈতিক বন্দীৰ ৰখাৰ সা-সুবিধা নথকাৰ কাৰণে

(4) কাৰাবাসৰ সময়সীমা সমাপ্ত হোৱাৰ কাৰণে

133. আকৰ্ষণ শব্দৰ বিপৰীতাৰ্থক শব্দ হৈছে -

(1) আকৰ্ষণীয়

(2) বিকৰ্ষণ

(3) আগ্ৰহ

(4) অনাগ্ৰহ

134. 'ভাৰত ত্যাগ' আন্দোলন কেতিয়া সংঘটিত হৈছিল ?

(1) ১৯২১ চনত

(2) ১৯৩৭ চনত

(3) ১৯৪০-৪১ চনত

(4) ১৯৪৬ চনত

135. গান্ধীজীৰ নেতৃত্বত আৰম্ভ হোৱা সত্যাগ্ৰহ আন্দোলনৰ সময়ত কিমান সময় ধৰি শাসনকাৰ্য চলোৱাৰ পাছত বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰিছিল ?

(1) তেৰমাহ

(2) ১৯৪০-ৰ পৰা ১৯৪১ লৈ, এ বছৰ

(3) ১৯৩৭-ৰ পৰা ১৯৪১ লৈ, পাঁচ বছৰ

(4) দেৰমাহ

136. পদ্ধতিগত লিখনিৰ কাৰণে তলৰ কোনটো অনুসৰণ কৰা উচিত ?

(1) শব্দ সংখ্যা

(2) ফুলাম ভাষাৰ প্ৰয়োগ

(3) সৰ্বনামৰ প্ৰয়োগ

(4) ধাৰণাৰ পদ্ধতিগতকৰণ

137. লিখন হৈছে এক ________, ______ নহয়।

(1) প্ৰক্ৰিয়া; ফচল

(2) ফচল; প্ৰক্ৰিয়া

(3) প্ৰক্ৰিয়া; হস্তাক্ষৰৰ অনুশীলন

(4) হস্তাক্ষৰৰ অনুশীলন; প্ৰক্ৰিয়া

138. ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতাৰ মূল্যায়ন কৰোঁতে শিক্ষকে তলৰ কোনটোত আটাইতকৈ বেছি গুৰুত্ব দিব লাগে ?

(1) ফুলাম ভাষাৰ ব্যৱহাৰ

(2) শুদ্ধ বানান

(3) ব্যাকৰণগতভাৱে শুদ্ধ বাক্য গাঁঠনি

(4) ভাব তথা ধাৰণাৰ প্ৰকাশ

139. পূৰ্ব-পঠন কাৰ্য কিয় কৰা হয় ?

(1) কঠিন শব্দৰ অৰ্থ জনাবলৈ

(2) পাঠত ব্যৱহৃত ব্যাকৰণগত বিষয় বা নিয়মবোৰ ব্যাখ্যা কৰিবলৈ

(3) শিক্ষাৰ্থীৰ পঠন বোধক্ষমতা মূল্যায়ন কৰিবলৈ

(4) পাঠটো সম্পৰ্কে শিক্ষাৰ্থীৰ যি পূৰ্বজ্ঞান থাকে, সেয়া সক্ষম কৰি তুলি শিক্ষাৰ্থীক পাঠটোৰ প্ৰতি সাজু কৰিবলৈ

www.prepp.in

Prepp
Your Personal Exams Guide



**140.** ভাৰতীয় সংবিধানৰ ৮ম সূচী অনুসৰি কিমানটা ভাষা আছে ?

(1) ১৬টা

(2) ২০টা

(3) ২২টা

(4) ২৪টা

**141.** এগৰাকী শিক্ষকে শ্ৰেণীকোঠাত কিছুমান পৰিস্থিতিৰ অভিনয় কৰিবলৈ দি ছাত্ৰ-ছাত্ৰীৰ মাজত কথোপকথন তথা আদান-প্ৰদান কৰাইছে । তাৰ পাছত শিক্ষক গৰাকীয়ে তাৰ মাজৰ পৰা কিছুমান প্ৰাসংগিক সূত্ৰ বাচি উলিয়াই সেইবোৰ অনুশীলন কৰিবলৈ দিছে । এইক্ষেত্ৰত শিক্ষকগৰাকীয়ে তলৰ কোনটো শিকাইছে ?

(1) নিদানমূলক বা উপচাৰাত্মক ব্যাকৰণ শিক্ষা

(2) একাকীত্বত ব্যাকৰণ শিক্ষা

(3) প্ৰসংগ অনুসৰি ব্যাকৰণ শিক্ষা

(4) নিগমনাত্মক পদ্ধতি বা বিযোগ পদ্ধতি

**142.** ভাষাৰ শিক্ষক এজনে কি কৰি সকলো শিকাৰুৰ শিকণ শৈলী যোগান ধৰিব পাৰে ?

(1) পাঠটোত থকা প্ৰতিটো শব্দ শিকাই দি আৰু পাঠটোৰ পুনৰপঠন কৰাই শব্দকেৰ অনুবাদ কৰি দি

(2) নিয়মীয়াকৈ শিক্ষাৰ্থীৰ মূল্যায়ন কৰি

(3) শিক্ষাৰ্থীক কেৱল পাঠ পঢ়িৱলৈকে নহয়, বৰঞ্চ নৃত্য, গীত, চিত্ৰ, খেল-ধেমালি আদিৰ শ্ৰেণীতো অংশগ্ৰহন কৰিবলৈ উৎসাহিত কৰি

(4) বিভিন্ন ধৰণৰ শিক্ষাৰ্থীৰ কাৰণে ভিন ভিন ধৰণ শিক্ষণ পদ্ধতি ব্যৱহাৰ কৰি

**143.** ভাষা শিকণত সামাজিক আদান প্ৰদানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে । এই বাক্যটো তলৰ কোনজন ভাষাবিদৰ লগত জৰিত ?

(1) ছম্স্কী

(2) পীয়াৰ্যে

(3) ৰাইগট্স্কী

(4) স্কিনাৰ

**144.** কথন দক্ষতাৰ ক্ষেত্ৰত তলৰ কোনটো গুৰুত্বপূৰ্ণ ?

(1) স্পষ্ট আৰু শুদ্ধ উচ্চাৰণ

(2) প্ৰসংগ সংগতি অনুসৰি কথা কোৱা

(3) মধুৰভাবে কোৱা

(4) ফুলাম ভাষাত কথা কোৱা

www.prepp.in
Prepp Your Personal Exams Guide



145. ভাষা এটা শিকোঁতে শিশু এটিয়ে সন্মুখীন হোৱা কোনো এক নির্দিষ্ট অসুবিধাক বুজি পাবলৈ তলৰ কোনটো পৰীক্ষাই সহায় কৰে ?

(1) ডিছ্‌ক্ৰীট পইন্ট পৰীক্ষা

(2) ডাইগ'ষ্টিক পৰীক্ষা

(3) যোগাযোগমূলক পৰীক্ষা

(4) সমস্যা সমাধান কৰা পৰীক্ষা

146. 'পৰ্টফলিঅ'-ৰ বিষয়ে তলৰ কোনটো বক্তব্য শুদ্ধ ?

(1) ই লিখাৰ অভ্যাস বিকাশ কৰে

(2) ইয়াৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ কাৰ্য সংগ্ৰহ কৰি সেইবোৰ সুৰক্ষিত কৰি ৰখা

(3) ই শিক্ষকৰ সময় ৰাহি কৰে আৰু ছাত্ৰ-ছাত্ৰীক ব্যস্ত কৰি ৰাখে।

(4) শিশু এটি অগ্ৰগতিৰ ঢাপবোৰৰ মাপ ৰাখিবলৈ শিক্ষকক সহায় কৰে

147. স্বৰাঘাত হৈছে _______ ত ভিন্নতা।

(1) অংগত

(2) ধ্বনিত

(3) বায়ুত

(4) স্বৰতীব্ৰতাত বা উৎকলনত

148. বাণীয়ে ঘৰত বেছি কথা নকয়, কিন্তু স্কুলত কয়। – এই বাক্যটোৱে কি সূচাইছে ?

(1) বাণীয়ে তাইৰ ঘৰখন ভাল নাপায়।

(2) স্কুলত তাইৰ চিন্তাবোৰে স্বীকৃতি পায়।

(3) বাণীৰ স্কুলখনে ল'ৰা-ছোৱালীক বেছিকৈ কথা কোৱাৰ সুযোগ দিয়ে

(4) শ্ৰেণীকোঠাৰ শৃংখলা বজাই ৰখাত শিক্ষকে গুৰুত্ব নিদিয়ে।

149. তলৰ কোন দুটা ভাষা সক্ষমতাৰ অন্তৰ্গত ?

(1) শুদ্ধ উচ্চাৰণ আৰু পঠন প্ৰখৰতা

(2) নকল কৰণ আৰু ভাল হাতৰ আখৰ

(3) শুদ্ধতা আৰু অনৰ্গলতা

(4) ওপৰে ওপৰে যোৱা আৰু ক্ৰমবীক্ষণ

150. ভাষা শিক্ষা সহজ হৈ উঠিব, যদিহে –

(1) পাঠ্যপুথি শিকোৱা নহয়

(2) কোনো পৰীক্ষা নাথাকে

(3) ভাষা সমৃদ্ধ পৰিৱেশ পোৱা যায়

(4) লিখাৰ আগতে যদি ব্যাকৰণৰ অনুশীলনত অধিক সময় দিয়া হয়

www.prepp.in



## SPACE FOR ROUGH WORK

Your Personal Exam Guide

www.prepp.in



**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া :**

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে । প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবা ।
2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
3. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
4. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
5. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।
6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব । সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব ।
7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
8. ম'বাইল ফ'ন, যিকোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্শ্বড় অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই । এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব ।
9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
12. ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।**

www.prepp.in



**निम्नलिखित निर्देशों को ध्यान से पढ़ें :**

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें ।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **काले/नीले बॉल पॉइन्ट पेन** से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
4. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
5. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी । इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए ।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्वीच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए । इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और उनके विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित ।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
11. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा । **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान हाज़िरी-पत्र में दिए गए स्थान पर अवश्य लगाएँ ।**
12. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल / कक्ष छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।**

**READ THE FOLLOWING INSTRUCTIONS CAREFULLY:**

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Black/Blue Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against them including cancellation of examination.
9. Each candidate must show on demand his / her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his / her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic / Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***